**Signature and Name of Invigilator**

1. (Signature) ____________________

   (Name) ____________________

2. (Signature) ____________________

   (Name) ____________________

**Roll No.** | | | | | | | | |

(In figures as per admission card)

**Roll No.** ____________________

(In words)

**Test Booklet No.**

**J—3609**

**PAPER—III**

# ASSAMESE

**Time : 2½ hours]** **[Maximum Marks : 200**

Number of Pages in this Booklet : **32** Number of Questions in this Booklet : **26**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. Answers to short answer/essay type questions are to be given in the space provided below each question or after the questions in the Test Booklet itself.

   **No Additional Sheets are to be used.**
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Test Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
4. Read instructions given inside carefully.
5. One page is attached for Rough Work at the end of the booklet before the Evaluation Sheet.
6. If you write your name or put any mark on any part of the Answer Sheet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
7. You have to return the Test booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
8. **Use only Blue/Black Ball point pen.**
9. **Use of any calculator or log table etc. is prohibited.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. लघु प्रश्न तथा निबंध प्रकार के प्रश्नों के उत्तर, प्रत्येक प्रश्न के नीचे या प्रश्नों के बाद में दिये हुये रिक्त स्थान पर ही लिखिये।

   **इसके लिए कोई अतिरिक्त कागज का उपयोग नहीं करना है।**
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले ले। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
4. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
5. उत्तर-पुस्तिका के अन्त में कच्चा काम (Rough Work) करने के लिए मूल्यांकन शीट से पहले एक पृष्ठ दिया हुआ है।
6. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
7. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और इसे परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
8. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
9. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**

**ASSAMESE**

*অসমীয়া*

**PAPER – III**

*প্ৰশ্নকাকত* **– III**

**NOTE :** **This paper is of two hundred (200) marks containing four (4) sections. Candidates are required to attempt the questions contained in these sections according to the detailed instructions given therein.**

*টোকা ঃ* *এই প্ৰশ্নকাকতখন দুশ (200) মূল্যাঙ্কৰ আৰু ইয়াত চাৰিটা (4টা) খণ্ড আছে। পৰীক্ষাৰ্থীসকলে এই চাৰিওটা খণ্ডত থকা প্ৰশ্নসমূহৰ লগতে দিয়া বিশদ বিৱৰণ অনুসৰি উত্তৰ লিখিব লাগিব।*

## SECTION - I
## খণ্ড – I

**Note :** This section contains five (5) questions based on the following paragraph. Each question should be answered in about thirty (30) words and each carries five (5) marks. **(5x5=25 marks)**

এই খণ্ডটোত নিম্নলিখিত অনুচ্ছেদৰ আধাৰত পাঁচটা (5) প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ত্ৰিশটা (30) শব্দৰ ভিতৰত লিখিব লাগিব। প্ৰত্যেক প্ৰশ্নৰ মূল্যাঙ্ক পাঁচ (5) । **(5x5=25 marks)**

*তলৰ গদ্য খণ্ডটো ভালদৰে পঢ়ি তাৰ তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখাঁ ঃ*

বৰ্তমান অসমীয়া সাহিত্য কেবাশ বছৰৰ ক্ৰমপৰিণতিৰ ফল। অসমীয়া জাতিয়ে অনেক যুগৰ অনুকূল আৰু প্ৰতিকূল অৱস্থাৰ মাজেদি সৰকি আহি, যেনেকৈ বৰ্তমান অৱস্থা লাভ কৰিছে তেনেকৈ অসমীয়া ভাষা আৰু সাহিত্যয়ো বিভিন্ন যুগৰ বিভিন্ন অৱস্থাৰ মাজেদি পাৰ হৈ বৰ্তমান অৱস্থা লাভ কৰিছে। গতিকে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ পম খেদি উৎপত্তিস্থল বিচাৰি গ'লে প্ৰথমতে আমি অসমীয়া ভাষাৰ জন্ম বৃত্তান্ত আৰু জন্ম লগ্ন জানি ল'ব লাগিব, কাৰণ আগেয়ে ভাষা, তাৰ পিছতহে সাহিত্যৰ সৃষ্টি হয়। ভাষা নোহোৱাকৈ ভাষা সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে; কিন্তু সাহিত্য নোহোৱাকৈ ভাষা থাকিব পাৰে। দেখাত অসমীয়া ভাষা আৰ্যভাষাসম্ভূত, কিন্তু সেইবুলি এই ভাষাৰ সৃষ্টিত কেৱল যে আৰ্যাৱৰ্ত বা উত্তৰ ভাৰতৰ পৰা অহা আৰ্যভাষীসকলৰ স্বকীয় সৃষ্টি এই কথা ক'লে নহ'ব। আৰ্যসকলৰ বিভিন্ন ঢৌ অসমত প্ৰৱেশ কৰাৰ আগতে মঙ্গোলীয় জাতিৰ বিভিন্ন গোষ্ঠী বিভিন্ন সময়ত অসমত প্ৰৱেশ কৰি নিগাজিকৈ বসতি কৰি লয়। তাৰো আগতে মনখমেৰ গোষ্ঠীৰ অষ্ট্ৰিক ভাষীসকলে প্ৰৱেশ কৰি ধান আৰু জোৱাৰৰ খেতি, গোপালন, বৃহৎপ্ৰস্তৰৰ পূৰ্বপুৰুষৰ স্মৃতিস্তম্ভ, জুম খেতি প্ৰৱৰ্তন কৰে। প্ৰাক্‌বৈদিক আৰ্যভাষী এদলো আহি অসমত বসতি লয় বুলি কোনো কোনোৱে মত প্ৰকাশ কৰে। অৱশ্যে প্ৰাক্‌বৈদিক আৰ্য বা এলপাইন জাতিৰ লোক অহাটো সৰ্বজনস্বীকৃত নহয়। গতিকে দেখা যায় যে আৰ্যসকল অসমলৈ অহাৰ আগতে অসম অনাৰ্য গোষ্ঠীৰ লোকৰে বাসস্থান আছিল। মহাভাৰত, পুৰাণ আদি প্ৰাচীন গ্ৰন্থত প্ৰাগজ্যোতিষ ৰাজ্য কিৰাতভূমিৰূপে পৰিচিত আছিল। মহাভাৰতৰ বিভিন্ন পৰ্বত ভগদত্ত ৰজাৰ অনুগামী সৈন্যৰ বৰ্ণনা প্ৰসঙ্গত কিৰাত আৰু চীন সৈন্যৰদ্বাৰা পৰিবৃত বুলি উল্লেখ কৰিছে। কালিকাপুৰাণ আদি পৰৱৰ্তী গ্ৰন্থতো প্ৰাগজ্যোতিষ তথা কামৰূপ কিৰাত-অধ্যুষিত দেশৰূপে বৰ্ণিত হৈছে। মঙ্গোলীয় গোষ্ঠীৰ বিভিন্ন জনজাতিয়েই কিৰাত আখ্যাৰে পুৰণি সংস্কৃত সাহিত্যত ভূষিত হৈছে। এইসকল আদিম অধিবাসীৰ সংস্পৰ্যত যেতিয়া মুষ্টিমেয় আৰ্যভাষা-ভাষী খ্ৰীষ্টিয় প্ৰথম কেইশ বছৰত আহিবলৈ ধৰে তেতিয়া তেওঁলোকৰ কথিত ভাষাও পৰিৱৰ্তনৰ সোঁতত আগবাঢ়ে।

গতিকে দেখা যায় প্ৰাচীন ভাৰতীয় আৰ্যভাষাবিশেষেই ক্ৰম পৰিৱৰ্তনৰ মাজেদি আহি খ্ৰীষ্টিয় দশম-একাদশ শতিকামানত অসমীয়া ৰূপ ল'বলৈ আৰম্ভ কৰে। ........... দশম শতাব্দী বা তাৰ আগৰ ভাষাৰ নিদৰ্শন বুলিবলৈ আমাৰ হাতত আছে প্ৰাচীন শিলালিপি আৰু শাসনাৱলী; এইবোৰৰ ভাষা সংস্কৃত। সংস্কৃতেই আছিল ৰাজকীয় কাৰ্যৰ একমাত্ৰ মাধ্যম। ৰাজকীয় কাৰ্য বা ৰাজসভাৰ পৰিৱেশৰ বাহিৰৰ জনসাধাৰণৰ কিছু অংশই হয়তো প্ৰাকৃত ব্যৱহাৰ কৰিছিল; বাকী আৰ্য সংস্কৃতি আৰু আৰ্যভাষা গ্ৰহণ নকৰা আৰ্যেতৰ গোষ্ঠীৰ লোকে নিজৰ নিজৰ কৌলিক জনজাতীয় ভাষা বা উপভাষা প্ৰয়োগ কৰিছিল।

1. সাহিত্য অধ্যয়নৰ পূৰ্বচৰ্ত হিচাপে সংশ্লিষ্ট ভাষাটোৰ উদ্ভৱ আৰু বিকাশৰ কথা কিয় জানি ল'ব লাগে?

2. অসমীয়া ভাষাক সম্পূৰ্ণ আৰ্যভাষা সম্ভূত বুলি কিয় ক'ব নোৱাৰি বিশ্লেষণ কৰাঁ।

3. অসমত প্ৰৱেশ কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ক্ৰমানুগতভাৱে উল্লেখ কৰাঁ।

4. চীন আৰু কিৰাত সৈন্য ভগদত্তৰ সৈন্যবাহিনীৰ লগত থকা কথাৰ উল্লেখ ক'ত ক'ত পোৱা যায়?

5. দশম শতাব্দীৰ পূৰ্বে অসমত কি কি ভাষাৰ প্ৰচলন আছিল ?

## SECTION - II
## খণ্ড – II

**Note :** This section contains fifteen (15) questions each to be answered in about thirty (30) words. Each question carries five (5) marks. **(5x15=75 marks)**

এই খণ্ডটোত পোন্ধৰটা (15) প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ উত্তৰ ত্ৰিশটামান (30) শব্দৰ ভিতৰত লিখিব লাগিব। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক পাঁচ (5)। **(5x15=75 marks)**

6. হুঁচৰি গীত আৰু বনগীতৰ মাজত পাৰ্থক্য কি লিখাঁ।

7. চৰ্যাগীতিকাৰসকলৰ মাজৰ কোন কেইজন কামৰূপৰ লোক আছিল লিখাঁ।

8. শঙ্কৰদেৱৰ নাটকেইখনৰ ৰচনাক্ৰম অনুসৰি নাম লিখাঁ আৰু সিবোৰৰ মূলৰ উল্লেখ কৰা।

9. 'হস্তীবিদ্যাৰ্ণৱ' আৰু 'ঘোঁৰা নিদান' পুথিত বৰ্ণিত বিষয় কি কি?

10. অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ প্ৰধান অৱদানসমূহ কি কি।

11. 'আৱাহন' আলোচনীৰ প্ৰধান বৈশিষ্ট্য কি?

12. নৱন্যাসযুগৰ এগৰাকী মানৱতাবাদী কবিৰ কবিতা সম্পৰ্কে এটি আলোচনা কৰাঁ।

13. অসমীয়া নাটকলৈ জ্যোতিপ্ৰসাদ আগৰৱালাই কি কি নতুনত্ব আনিছিল আলোচনা কৰাঁ।

14. ভৰত মুনিয়ে উল্লেখ কৰা আঠটা ৰসৰ নাম লিখাঁ।

15. ঊনবিংশ শতিকাত প্ৰকাশিত পাঁচখন আলোচনীৰ প্ৰকাশৰ চনসহ নাম লিখাঁ।

16. জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ আধাৰত ৰচিত উপন্যাসকেইখনৰ পৰিচয় দিয়াঁ।

17. অসমীয়া ভাষাৰ বিষয়ে ৰচিত পাঁচখন গৱেষণামূলক গ্ৰন্থৰ নাম ৰচকৰ নামৰ সৈতে লিখাঁ।

18. ‘মঞ্চলেখা’ গ্ৰন্থখনৰ এটি পৰিচয় দিয়াঁ।

19. ‘এলিজি’ (শোক কবিতা)ৰ লক্ষণ কি কি লিখাঁ।

20. ‘কৃপাবৰ বৰুৱাৰ ব্যঙ্গ’ শীৰ্ষক এটি চমু আলোচনা লিখাঁ।

## SECTION - III
## খণ্ড — III

**Note :** This section contains five (5) questions from each of the electives / specialisations. The candidate has to choose <u>only one</u> elective / specialisation and answer all the five questions from it. Each question carries twelve (12) marks and is to be answered in about two hundred (200) words.

**(12x5=60 marks)**

এই খণ্ডত ঐচ্ছিক/বিশেষজ্ঞতামূলক **তিনিটা** ভাগ আছে। প্রতিটো ভাগত **পাঁচোটাকৈ** প্রশ্ন আছে। পৰীক্ষাৰ্থীয়ে তাৰে এটা ভাগ বাছি লৈ সেই ভাগৰ অন্তৰ্ভুক্ত **পাঁচোটা** প্রশ্নৰ উত্তৰ লিখিব লাগিব। প্রায় 200 (দুশ) কৈ শব্দৰ ভিতৰত লিখিবলগীয়া প্রতিটো প্রশ্নৰ মূল্যাংক 12 (বাৰ)।

**(12x5=60 marks)**

### *ঐচ্ছিক* I *(অসমীয়া সাহিত্য)*

21. হেম সৰস্বতী আৰু হৰিবৰ বিপ্ৰৰ কাব্যকৃতিৰ পৰিচয় দিয়াঁ।

22. কথা-গুৰুচৰিতৰ বিষয়বস্তুৰ আভাস দিয়াঁ।

23. আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ লিখাঁ।

24. ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিৰ মানৱায়ন কেনেদৰে কৰা হৈছে আলোচনা কৰাঁ।

25. চাহ বাগিচাৰ জীৱন প্ৰতিফলিত হোৱা উপন্যাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

## *ঐচ্ছিক* II *(অসমীয়া ভাষা)*

21. ভাষাৰ বৈশিষ্ট্য কি আলোচনা কৰাঁ।

22. অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা কি কি? সিহঁতক প্ৰতিনিধিত্ব কৰা আখৰবোৰ উল্লেখ কৰাঁ।

23. অসমীয়া ভাষাৰ বিভক্তি কেইটা আৰু কি কি? উদাহৰণসহ সেইকেইটাৰ ব্যৱহাৰিক প্ৰয়োগ দেখুৱাঁ।

24. অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত নে? লিঙ্গ পৰিৱৰ্তনৰ নিয়মবোৰ উদাহৰণ সহ দেখুৱাঁ।

25. অসমীয়া লিপিৰ বিকাশ সম্পৰ্কে এটি চমু আলোচনা লিখাঁ।

## *ঐচ্ছিক* III *(তুলনামূলক সাহিত্য)*

21. তুলনামূলক সাহিত্যৰ ধাৰণা আৰু বিকাশ সম্বন্ধে এটি প্ৰবন্ধ লিখাঁ।

22. ভাৰতীয় সাংস্কৃতিক প্ৰেক্ষাপটত তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰাঁ।

23. তুলনামূলক সাহিত্যৰ পদ্ধতিৰ আধাৰত ডঃ বাণীকান্ত কাকতিৰ 'সাহিত্য আৰু প্ৰেম' গ্ৰন্থৰ এটি আলোচনা আগবঢ়োৱা।

24. তুলনামূলক সাহিত্যৰ এটি গুৰুত্বপূৰ্ণ অঙ্গ হিচাপে অনুবাদৰ গুৰুত্ব আলোচনা কৰাঁ।

25. 'অনুবাদ-কলা' কলা নে বিজ্ঞানৰ অন্তৰ্ভুক্ত যুক্তি দৰ্শাই তোমাৰ মত সাব্যস্ত কৰাঁ।

## SECTION - IV

## খণ্ড — IV

**Note :** This section consists of one essay type question of forty (40) marks to be answered in about one thousand (1000) words on any of the following topics. This question carries 40 marks.

**(40x1=40 marks)**

এই খণ্ডটোত একোটাকৈ ৰচনামূলক প্ৰশ্ন আছে। এই প্ৰশ্নটোৰ উত্তৰ এহেজাৰমান (1000) শব্দৰ ভিতৰত লিখিব লাগিব। প্ৰশ্নটোৰ মূল্যাঙ্কন চল্লিছ (40)। **(40x1=40 marks)**

**26.** তলত দিয়া যিকোনো এটাৰ বিষয়ে এহেজাৰ শব্দৰ এখন ৰচনা লিখা—

(A) সাম্প্ৰতিক অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি

*অথবা*

(B) জাতীয় সংহতি সাধনত অসমীয়া ভাষাৰ ভূমিকা

*অথবা*

(C) অসমীয়া অনুবাদ সাহিত্যৰ ক্ৰমবিকাশ

| FOR OFFICE USE ONLY | | | | | | | |
|---|---|---|---|---|---|---|---|
| Marks Obtained | | | | | | | |
| Question Number | Marks Obtained | Question Number | Marks Obtained | Question Number | Marks Obtained | Question Number | Marks Obtained |
| 1 | | 26 | | 51 | | 76 | |
| 2 | | 27 | | 52 | | 77 | |
| 3 | | 28 | | 53 | | 78 | |
| 4 | | 29 | | 54 | | 79 | |
| 5 | | 30 | | 55 | | 80 | |
| 6 | | 31 | | 56 | | 81 | |
| 7 | | 32 | | 57 | | 82 | |
| 8 | | 33 | | 58 | | 83 | |
| 9 | | 34 | | 59 | | 84 | |
| 10 | | 35 | | 60 | | 85 | |
| 11 | | 36 | | 61 | | 86 | |
| 12 | | 37 | | 62 | | 87 | |
| 13 | | 38 | | 63 | | 88 | |
| 14 | | 39 | | 64 | | 89 | |
| 15 | | 40 | | 65 | | 90 | |
| 16 | | 41 | | 66 | | 91 | |
| 17 | | 42 | | 67 | | 92 | |
| 18 | | 43 | | 68 | | 93 | |
| 19 | | 44 | | 69 | | 94 | |
| 20 | | 45 | | 70 | | 95 | |
| 21 | | 46 | | 71 | | 96 | |
| 22 | | 47 | | 72 | | 97 | |
| 23 | | 48 | | 73 | | 98 | |
| 24 | | 49 | | 74 | | 99 | |
| 25 | | 50 | | 75 | | 100 | |

Total Marks Obtained (in words) ....................................

(in figures) ....................................

Signature & Name of the Coordinator ...............................

(Evaluation) Date .............................